# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-03-2025
**Time :** 12-05 Hrs

***Assamese MIDDAY Bulletin***

***:::::::::::::::::::::::::::::::***

কামৰূপ জিলাৰ বামুণ্ডিৰ মনোজ কলিতা আৰু প্ৰবোধ কলিতা নামৰ দুগৰাকী উচ্চ শিক্ষিত যুৱকে অসম চৰকাৰৰ কৃষি বিভাগৰ সহযোগত ব্ৰহ্মপুত্ৰৰ বালিচৰৰ প্ৰায় ৬০ বিঘা মাটিত তৰমুজৰ খেতি কৰি নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে এক আদৰ্শ হৈ পৰিছে। তেওঁলোকে বিগত ১২ বছৰে তৰমুজৰ খেতিৰ লগত জড়িত হৈ নিজৰ লগতে আন বহুজনৰ বাবে কৰ্মসংস্থাপনৰ বাট মুকলি কৰিছে। দুয়োজন যুৱকে তেওঁলোকৰ উৎপাদিত তৰমুজসমূহ গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ যোগান ধৰা হয়।

০০০০

বাক্সা জিলাৰ ৬৩ নম্বৰ চাপাগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত আশ্ৰাৰ তিনিআলিৰ পৰা বেটবাৰী হৈ টকৰাকুছিলৈ মুখ্যমন্ত্ৰীৰ উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত এটা পকী পথৰ আজি আধাৰশিলা স্থাপন কৰা হয়। ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰায় ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটোৰ আধাৰশিলা স্থাপন কৰি কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই প্ৰকাশ কৰে যে, ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত এই সমষ্টিত তেওঁলোকে ইতিমধ্যে যথেষ্ট অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। তাৰোপৰি এই বৰ্ষতে আৰু কিছু ৰাস্তা নিৰ্মাণৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত মন্ত্ৰী ব্ৰহ্মাৰ লগতে বিটিআৰৰ পাৰিষদ মণ্টু বড়োও উপস্থিত থাকে।

০০০০

তিনিচুকীয়া জিলাৰ অসম -অৰুণাচল সীমান্তৰ বৰদুমচাৰ কৰিয়াজানত কালি নিশা খাটাংপানী বন বিভাগে অভিযান চলাই হাতী দাতসহ এজন চোৰাং চিকাৰী আটক কৰিবলৈ সমৰ্থ হয়। বন বিষয়া শ্ৰৱন শইকীয়াৰ নেতৃত্বত চলোৱা এই অভিযানত চোৰাং চিকাৰীজনৰ পৰা মাটিত পুতি থোৱা বনৰীয়া হাতীৰ দুটাকৈ দাত জব্দ কৰে। চোৰাং চিকাৰীজন বৰদুমচা কৰিয়াজান মেলটিৰি বস্তিৰ পাচকেল বেংৰা বুলি জানিব পৰা গৈছে। চোৰাং চিকাৰী বেংৰা দীৰ্ঘদিনৰ পৰা এই কাৰ্যত জড়িত আছে বুলি বন বিভাগে জানিবলৈ দিয়ে।

০০০০

তিনিচুকীয়াৰ ধলাত যোৱা নিশা নিচাযুক্ত দ্ৰব্য সেৱনকাৰীৰ বিৰুদ্ধে ৰাইজে অভিযান চলাই ৩ জন নিচাযুক্ত দ্ৰব্য সেৱনকাৰী যুৱক আৰু সৰবৰাহকাৰীক আৰক্ষীৰ হাতত গতাই দিয়ে। ধলাৰ বৰমুৱা মিৰিপথাৰৰ পৰা ৰাইজে ধৰা পেলোৱা এই নিচাসক্ত যুৱককেইজন হৈছে সুৰজিত মৰাণ, বিপ্লৱ মৰাণ আৰু বিক্ৰম মৰাণ।

০০০০

ওড়িশাৰ বিৰচামুণ্ডা ষ্টেডিয়ামত যোৱা ৬ মাৰ্চৰ পৰা অনুষ্ঠিত সপ্তম ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছত ধেমাজীৰ ৫ গৰাকী খেলুৱৈ পদক লাভ কৰিছে। এই ক্ৰীড়া প্ৰতিযোগিতাত অসম দলৰ হৈ ধেমাজী জিলাৰ মাষ্টাৰ্ছ যোগাসন খেলুৱৈ নিতিশ নন্দীয়ে অংশগ্ৰহণ কৰি সোণৰ পদক লাভ কৰে। জিলাখনৰ যোগাসন ক্ৰীড়া সন্থাৰ মাষ্টাৰ্ছ খেলুৱৈ ৰঞ্জন

চুতীয়া, নৱনিতা বৰা, দিম্পি গোহাই আৰু পল্লৱী শইকীয়াই ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাখনত বিপুল গগৈয়ে প্ৰথম ৫ গৰাকী খেলুৱৈৰ মাজত থাকিবলৈ সমৰ্থ হয় বুলি ধেমাজী জিলা যোগাসন ক্ৰীড়া সন্থাৰ সম্পাদক পুলেন দাসে জানিবলৈ দিয়ে। এই ক্ৰীড়া প্ৰতিযোগিতাৰ আজি সামৰণি পৰিব।

০০০০

উত্তৰ পূৱ সীমান্ত ৰেলৰে ক্ৰীড়া সন্থা আৰু গ্লোবেল ফুটবল ক্লাৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। উত্তৰ পূৱ সীমান্ত ৰেলৰে ক্ৰীড়া সন্থাই কালি গুৱাহাটী জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ২-০ গলত পৰাস্ত কৰে। একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত গ্লোবেল ফুটবল ক্লাৱে -ডুবি ক্ৰীড়া সন্থাক ৩-১ গলত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাত আজি বাকী দুখন কোৱাৰ্টাৰ ফাইনেল খেলোৱা হ'ব। ইয়াৰে প্ৰথমখনত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ - ৰাণী কোচিং চেণ্টাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দ্বিতীয়খন খেলত শ্বিলং লাজং ফুটবল ক্লাৱ - লেনৰ'ল ফুটবল ক্লাৱৰ সন্মুখীন হ'ব।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আজি ডুবাইত হ'বলগীয়া আই চি চি ছেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ বাবে সমগ্ৰ দেশ ক্ৰিকেট জ্বৰত আক্ৰান্ত হৈছে। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। দেশ দুখনৰ মাজত অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলসমূহে ফাইনেল খেলখন অধিক ৰোমাঞ্চকৰ কৰি তুলিছে। ভাৰতে যোৱা মঙলবাৰে অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ খেলত নিউজিলেণ্ডক ৪৪ ৰানত পৰাভূত কৰি শক্তিশালী অভিলেখেৰে ফাইনেলত প্ৰৱেশ কৰিছে। বেটে-বলে আগবঢ়োৱা সুন্দৰ প্ৰদৰ্শনৰ বলত লাভ কৰা এই জয়ে প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পইণ্ট তালিকাত ভাৰতৰ শীৰ্ষ স্থান সুদৃঢ় কৰি তুলিছিল। খেলৰ পূৰ্বে এখন সংবাদমেলত ভাৰতীয় দলৰ উপ-অধিনায়ক শুভমন গীলে কালি কয়, যে ২০২৪ চনৰ টি-২০ বিশ্বকাপৰ জয়ে দলৰ চাপ কিছু পৰিমাণে দূৰ কৰিছে। ভাৰতে শেহতীয়া খেলসমূহত আধিপত্য বিস্তাৰ কৰিছে যদিও নিউজিলেণ্ডৰ চাপৰ মাজত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱাৰ সামৰ্থ গুৰুত্বপূৰ্ণ কাৰকৰূপে বিবেচিত হৈছে। ২০১৯ চনৰ বিজয়ে দলটোৰ বাধা অতিক্ৰম কৰাৰ সামৰ্থৰ কথা প্ৰতিফলিত কৰে। অসাধাৰণ ফিল্ডিং নিউজিলেণ্ডৰ শক্তিৰূপে বিবেচিত হৈ আহিছে। নিউজিলেণ্ডৰ অধিনায়ক মিছেল ছেন্তনাৰে খেলৰ পূৰ্বে এখন সংবাদমেলত দলে ফাইনেল খেলখনত ভাৰতৰ বিৰুদ্ধে সুন্দৰ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। অধিনায়কগৰাকীয়ে ফৰ্মত থকা ভাৰতীয় দলৰ প্ৰত্যাহ্বানৰ কথা স্বীকাৰ কৰে।

০০০০

সমাপ্ত